P. K. Datta

## স্মৃতিগ্ৰন্থ

দৰং জিলা সাহিত্য সভাৰ ২০তম বাৰ্ষিক অধিৱেশন উপলক্ষে প্ৰকাশিত।

# স্পন্দন

ইং - ১৯৯৪


সভাপতি—
মহঃ খলিলুৰ ৰহমান

সম্পাদক—
শ্ৰীপৰিমল কুমাৰ দত্ত


স্মৃতি গ্ৰন্থ উপ-সমিতি

# ঃ সম্পাদকীয় ঃ

● *পৰিমল কুমাৰ দত্ত, সম্পাদক ঃ স্মৃতিগ্ৰন্থ*

"পুৰাণমিত্যেৱ ন সাধু সৰ্বং ন চাপি কাব্যং নৱমিত্যবদ্যম্
সন্তঃ পৰীক্ষান্যতৰৎ ভজন্তে মূঢ়ঃ পৰপ্ৰত্যয়নেয়বুদ্ধিঃ ॥"

সভ্যতাৰ ক্ৰম পৰিৱৰ্তনৰ ইতিহাসত লীলাময় অসমৰ নীলা পৰ্বতৰ পাদদেশত সেউজীয়া উপত্যকাৰ বিস্তৃত অঞ্চলত অগণন মানুহৰ বিচৰণ। শিল্পকলা সংস্কৃতিৰ জগতত অসম মাতৃৰ অসংখ্য বৰেণ্য সাহিত্যৰথীসকলৰ অবাধ সঞ্চালনৰ প্ৰভাৱত অনগ্ৰসৰ দৰং জিলাৰ নানা জাতি গোষ্ঠি মিশ্ৰিত ৰহস্যময়ী খাৰুপেটিয়াও সংস্কৃতিৰ বন্তি জ্বলাই লাহে লাহে আগুৱাই আহিছে। ভাৰতীয় সাহিত্যগগণৰ উজ্জ্বল নক্ষত্ৰমণ্ডলত অসম সাহিত্যৰ ধ্ৰুবতৰাৰ স্নিগ্ধৰশ্মিয়ে দৰং জিলাৰ প্ৰত্যন্তে সহস্ৰবন্তি প্ৰজ্বলিত কৰিছে। ভাষা, সাহিত্য, সংস্কৃতি মানুহ আৰু প্ৰকৃতি এই পঞ্চকেন্দ্ৰিক প্ৰক্ৰিয়াত সভ্যতা লাহে লাহে বৰ্দ্ধিত হৈছে। এই বৰ্দ্ধনাৰ বুৰঞ্জীত দৰং জিলাৰ ক্ৰমবৰ্দ্ধমাননগৰ খাৰুপেটিয়া অসম সাহিত্যৰ অমৃত-ভাণ্ডাৰৰ ভাগ লোৱাত অগ্ৰণী ভূমিকা পালন কৰি আহিছে। তাৰেই ফলস্বৰূপে দৰং জিলা সাহিত্য সভাৰ ২০তম বাৰ্ষিক অধিৱেশনখন খাৰুপেটীয়া শৈলবালা উচ্চ মাধ্যমিক বিদ্যালয়ত ২৯, ৩০ জানুৱাৰী ১৯৯৪ চনত পতা হৈছে। এই উপলক্ষ্যত "স্মৃতিগ্ৰন্থ" প্ৰকাশনৰ মহান দায়িত্ব মোৰ ওপৰত অভ্যৰ্থনা সমিতিয়ে অৰ্পণ কৰাত মোৰ বিশ্ববৰেণ্য অমৰ সাহিত্যিক উইলিয়াম ছেক্সপীয়াৰৰ উদ্ধৃতিখন মনত পৰিছে— "Some are born great, some achieve greatness aud some have greatness thurst upon them." অৱশ্যে অভ্যৰ্থনা সমিতিৰ মাননীয় সভাপতি শ্ৰীধীৰেন্দ্ৰ কুমাৰ ৰায়দেৱ, সম্পাদক শ্ৰদ্ধেয় শ্ৰীঅমলেন্দু বিকাশ দাসদেৱ, খাৰুপেটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মাননীয় অধ্যক্ষ মঃ খলিলুৰ ৰহমান, খাৰুপেটীয়া আঞ্চলিক সাহিত্য সভাৰ সম্পাদক মাননীয় জামাল উদ্দিন আহমেদ, খাৰুপেটীয়া আঞ্চলিক সাহিত্য সভাৰ সভাপতি শ্ৰদ্ধেয় মঃ আব্দুৰ ৰশিদ চাৰেৰ বিশেষ উৎসাহ, সহযোগিতা আৰু প্ৰেৰণাত মই "স্মৃতিগ্ৰন্থ" প্ৰকাশনৰ দায়িত্ব নোলোকৈ থাকিব পৰা নাই।

এতিয়া প্ৰশ্ন, সাহিত্য কি ? সাহিত্যৰ পৰিধি কি ? সাহিত্য সৃষ্টিৰ মূল লক্ষ্য কি ? বিদগ্ধ পণ্ডিত সকলে পতাৰ পৰ পতা এই গুৰুগম্ভীৰ বিষয়ত আলোকপাত কৰি আছে। কাব্য প্ৰকাশকাৰ মম্মট মতে—

"কাব্যং যশসেইৰ্থকৃতে ব্যৱহাৰবিদে
শিৱেতৰক্ষতয়ে
সদ্যঃ পৰনিৰ্বৃতয়ে কান্তা
সম্মিততয়োপদেশযুজে ॥"

আজিৰ দিনতো সাহিত্যৰ অন্যতম মুখ্য লক্ষ্য হ'ল সাহিত্যৰ মাধ্যমত সাম্প্ৰদায়িক সম্প্ৰীতিৰ মনোভাৱ জাগ্ৰত ৰাখি "সত্যম্ শিৱম্ সুন্দৰম্" এই পৃথিৱীক ভৱিষ্যতৰ কাৰণে উন্নত ৰাসযোগ্য কৰি গঢ়ি তোলা। যি সাহিত্যই মানুহৰ মাজত অনৈক্যৰ বীজ-

ৰোপণ কৰি থাকে— মানুহৰ মাজত হিংসা-বিদ্বেষ জাগ্ৰত কৰে, সাম্প্ৰদায়িক সংঘৰ্ষত প্ৰেৰণা দিয়ে তাকে জানো আমি সুস্থ-সংস্কৃতিৰ ধাৰক আৰু বাহকৰূপী সাহিত্য বুলি গণ্য কৰিব পাৰিনে ?

ৰোমান্টিক কবি শ্বেলীৰ বিখ্যাত উদ্ধৃতি ইয়াত স্মৰণীয়—

"Sceptreless, free,
uncircumscribed, but man.
Equal, unclassed, tribless and
nationless.
Exempt from awe, worship, degree,
the king
Over himself, just, gentle, wise:
but man."

এই স্মৃতিগ্ৰন্থৰ মূল উদ্দেশ্যই হৈছে পাৰম্পৰিক সম্প্ৰীতিৰ মাজত সাহিত্যৰ অনুকূল পৰিবেশ সৃষ্টি কৰা আৰু সকলোৰে মাজত থকা প্ৰতিভাৰ জাগৰণ ঘটোৱা। অৰ্থ, সময় আৰু স্থানৰ অভাৱত কলেৱৰ ক্ষীণ কৰা হৈছে। অসুস্থ ৰাজনৈতিক পৰিস্থিতিৰ মাজত সাহিত্যকৃষ্টিৰ অৰিহণা যোগাবলৈ আমাৰ এই প্ৰয়াসত ভুল থাকিব পাৰে। ইয়াৰ বাবে মই ক্ষমাপ্ৰাৰ্থী। এই প্ৰসঙ্গত চেষ্টাৰ-ফিল্ড (Chasterfield)ৰ কথাখিনি মনত পৰিছে— "Honest error is to be pitied, not ridiculed."

এই 'স্মৃতিগ্ৰন্থ' প্ৰকাশনত যি সকল সুধী-জনে মোলৈ সৰ্বতোভাৱে সহায়-সহযোগিতা আগবঢ়াইছে তেখেত সকললৈ মোৰ কৃতজ্ঞতা আৰু শুভেচ্ছা ৰ'ল। দৰং সাহিত্য সভাৰ এই অধিবেশনখনৰ উজ্বল পোহৰে অসম মাতৃৰ ঘৰে ঘৰে সহস্ৰ সাহিত্যৰথীৰ জন্ম দিব বুলি আশা ৰাখিছোঁ।

টেনিছন (Tennyson)ৰ ভাষাৰে ক'ব লাগে—

"Through the ages one increasing
purpose runs,
And the thoughts of men
Are widened with the process of
the Sun"

অনাগত অপ্ৰস্ফুটিত নবীন প্ৰতিভালৈ শুভেচ্ছা জনাই কবিৰ ভাষাৰেই সামৰিছোঁ—

"নতুন প্ৰাণৰ ন-চকুযুৰি
দীপতি ঢালি দে ভাত
পুৰণি পৃথিৱী ন-কৈ চাই লওঁ
হে বীন এবাৰি মাত ॥"

ৰবীন্দ্ৰনাথৰ ভাষাত—

"আজিকে তোমাৰ অলিখিত নাম
আমৰা বেৰাই খুঁজি
আগামী প্ৰাতেৰ শুকতাৰা সম
নেপথ্যে আছে বুঝি ॥"

জয় আই অসম



# খাৰুপেটীয়া আৰু আমি

ধীৰেন্দ্ৰ কুমাৰ ৰায়,
খাৰুপেটীয়া

অসম প্ৰদেশৰ দৰং জিলাৰ অন্তৰ্গত খাৰুপেটীয়া এখন সৰু চহৰ। ৫২ নং ৰাষ্ট্ৰীয় ঘাই আলি ইয়াৰ মাজেদি গৈছে। ইয়াৰ ওচৰত অতীজতে জাহাজঘাট থকাৰ বাবে জনবসতি ক্ৰমান্বয়ে বাঢ়ি আহি বৰ্তমান এখন সৰু নগৰৰ সৃষ্টি হৈছে। ইয়েই খাৰুপেটীয়া। খাৰুপেটীয়া নামৰ তাৎপৰ্য্য যদিও বহুতেই বহুত ধৰণে কৰিছে কিন্তু তাৰ প্ৰকৃত সঁচা কথা কোৱাটো টান।

বাগিছাত যেনেকৈ নানা বৰণীয়া ফুল-ফুলি জাতিস্কাৰ হৈ থাকে ঠিক তেনেকৈ খাৰুপেটীয়া অঞ্চলত নানা জাতি-উপজাতি যেনে— বঙ্গালী-হিন্দু, বঙ্গালী-মুছলমান, অসমীয়া, নেপালী, পাঞ্জাবী, বিহাৰী আৰু মাৰোৱাৰী সকলেই প্ৰধানত ফুলনিৰ দৰে বসতি বিস্তাৰ কৰি আছে। সকলোৱে অসমীয়া ভাষাকেই নিজৰ ভাষা হিচাবে গণ্য কৰে। খাৰুপেটীয়া এখন কৃষিপ্ৰধান অঞ্চল। নগৰৰ চাৰিওফালে থকা মুছলমান ভাইসকলে কপালৰ ঘাম মাটিত পেলাই ধান, মাহ, সৰিয়হ, মৰাপাট, তিল, গম, মাকৈ, কবি, মূলা, আলু, পিয়াঁজ, নহৰু ইত্যাদি উৎপন্ন কৰি নগৰত আনকি ঘনশিমুলী, চিকনমাটি, কপাটী আৰু টাংনী বজাৰ আদিত বিক্ৰী কৰাৰ ফলত ঠাইখিনি হৈ পৰিছে বেহা-বেপাৰৰ কেন্দ্ৰস্থল। খাৰুপেটীয়াৰ গাত লাগি থকা কপাটী, চিকনমাটি, ৰৱগবা আৰু টাংনী চাহ বাগিছাৰ চা-পাত লেখত ল'বলগীয়া।

এই অঞ্চলৰ প্ৰায় শতকৰা ৯০ ভাগ মানুহেই ব্যৱসায়ী আৰু কৃষিজীৱী। এই কৰ্মব্যস্ততাৰ মাজতেই সকলোৰ সহযোগিতা গঢ়ি উঠিছে নানা অনুষ্ঠান-প্ৰতিষ্ঠান, খাৰু-পেটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়, শৈলবালা উচ্চ মাধ্যমিক বিদ্যালয়, খাৰুপেটীয়া নগৰ বালিকা বিদ্যালয়, খাৰুপেটীয়া আদৰ্শ হিন্দী বিদ্যালয়, তপোবন বিদ্যালয় আৰু প্ৰায় ১৫ খন প্ৰাথমিক বিদ্যালয়। এই অনুষ্ঠানবোৰ প্ৰতিষ্ঠা কৰাৰ মূলতে ৺ৰাম নাৰায়ণ চৌধুৰী, ৺ফৰীতুল্লা চৰকাৰ, ডাঃ ৺শৈলেশ চন্দ্ৰ মজুম-দাৰ, বাহৰ হাজী, শ্ৰীধীৰেন্দ্ৰ কুমাৰ ৰায়, শ্ৰীঅমলেন্দু বিকাশ দাস, ৺সাহাবুদ্দিন মণ্ডল, মঃ জামাতউল্লা চৰকাৰ, শ্ৰীৰমনী মোহন বনিক, ৺জাহেদ আলী পণ্ডিত, শ্ৰীননীগোপাল চট্টো-পাধ্যায়, শ্ৰীগৌৰ চন্দ্ৰ সাহা আৰু বহুতৰেই চেষ্টাৰ দান বুলি ক'লেও বোধহয় ভুল কৰা নহ'ব। ১৯৮১ চনত খাৰুপেটীয়াত এখন মহাবিদ্যালয়ো স্থাপন হৈছে। উক্ত মহাবিদ্যা-লয়ৰো মই সভাপতি আছিলো এসময়ত, খাৰুপেটীয়া নগৰ সমিতিৰ সভাপতিৰ পদতো বহুৱাইছিল। খাৰুপেটীয়া নগৰৰ নানা অনু-ষ্ঠানৰ উন্নতিৰ মূলতে জৰিত ব্যক্তিসকলৰ মাজত কেইজনৰ নাম উল্লেখ নকৰিলে নহয়। তেখেত সকলৰ মাজত অগ্ৰণী ভূমিকা লোৱা আৰু